স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-14 NO-334 TUESDAY 11 FEBRUARY 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBR

### কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক সম্বৰ্ধনা

## ডিব্ৰুগড়ৰ বৰপথাৰ কমাৰগাঁও ভাওনা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ বিশেষ অনুষ্ঠান

বিশেষ বাৰ্তা, ডিব্ৰুগড, ১০ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় জিলাৰ ১৬ খন (সৰু-বৰ ২৩ খন গাঁও)ৰ উদ্যোগত বৃহত্তৰ বৰপথাৰ কমাৰগাঁও ভাওনা আৰু সংস্কৃতি বিকাশ কেন্দ্ৰৰ সৌজন্যত আয়োজিত ১৩৫সংখ্যক ভাওনা উদযাপন সমিতিয়ে কালি অন্যান্য কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক সম্বৰ্ধনা জনায়। অসমৰ সামাজিক, বৌদ্ধিক, বিদ্যায়তনিক জগতত ব্যতিক্ৰমী ব্যক্তিত্ব আৰু অবিস্মৰণীয় কৃতিত্বৰে নিজকে নক্ষত্ৰৰূপে প্ৰতিষ্ঠা হোৱাৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰত আত্মনিয়োগ কৰি নেতৃত্ব গুণ, সমাজ চেতনা, একনিষ্ঠতা, পৰিচালন দক্ষতা অৰ্জন কৰাৰ বাবেই অধ্যক্ষজনক সম্বৰ্ধনা জনোৱা হয় বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। অধ্যক্ষগৰাকীয়ে কেৱল আঞ্চলিক পৰিসৰতে আবদ্ধ হৈ নাথাকি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সন্মান আৰু প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱাৰ বাবে তেওঁক এই সম্বৰ্ধনা জনোৱা হয় বুলি উল্লেখ কৰিছে। তেওঁৰ নান্দনিক চিন্তা-চেতনা, পৰিৱেশ সচেতনতা, সাহিত্য চৰ্চা, সমাজ সংগঠন আৰু দেশ আৰু জাতিৰ প্ৰতি আগবঢ়াই যোৱা বৰঙণিৰ বাবে সৰু-বৰ প্ৰায় ২৩খন গাঁৱৰ ৰাইজৰ উপস্থিতিত ব্যতিক্ৰমী ব্যক্তিত্বৰ বাবে সম্বৰ্ধনা জনাবলৈ পাই আনন্দ আৰু গৌৰৱান্বিত হোৱা বুলি উদযাপন সমিতিৰ সভাপতি নিত্যানন্দ গগৈ আৰু সাধাৰণ সম্পাদক ভুবন দত্তই উল্লেখ কৰিছে। সম্বৰ্ধনা পত্ৰখনত তেওঁক অধিক কৰ্মৰে জনহিতকৰ কৰ্মত প্ৰবৃত্ত হৈ হাজাৰজনৰ বাবে



মানৱীয় চেতনাৰ মহান আদৰ্শ হৈ ৰওঁক বুলি সহস্ৰাধিক ৰাইজৰ উপস্থিতিত অধ্যক্ষগৰাকীক সম্বৰ্ধনা জনায়। অধ্যক্ষগৰাকীয়ে কৰ্মসূৰ্য, দীনবন্ধু, ডিবৰুহিতৈষী, শ্ৰেষ্ঠ অধ্যক্ষৰ দক্ষতা বঁটা, পৰমানন্দ মানসেৱা ৰত্ন বঁটা, সেউজ ৰত্নকে ধৰি ২৮টাৰো অধিক বঁটা, সন্মানেৰে ইতিমধ্যে সন্মানীত হৈছে। অধ্যক্ষগৰাকীক তেওঁৰ কৰ্মৰ স্বীকৃতি হিচাপে প্ৰায় ১৪০টাৰো অধিক জাতীয়, জনগোষ্ঠীয় দল-সংগঠনে ইতিমধ্যে তেওঁক সম্বৰ্ধনা জনাইছে। পৃথিৱীৰ আটাইতকৈ শক্তিশালী সংগঠন ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ অতি গুৰুত্বপূৰ্ণ পেনেলিষ্টৰ লগতে সমন্বয়কৰ দায়িত্বত থকা অধ্যক্ষগৰাকীয়ে সমগ্ৰ পৃথিৱীৰ বিভিন্ন প্ৰান্তত সিঁচৰিত হৈ থকা অসমীয়া মানুহখিনিক একত্ৰিত কৰিবলৈ গঠন হোৱা স্নেহবন্ধন নামৰ সংগঠনৰ সাধাৰণ সম্পাদকৰ দায়িত্বও নিষ্ঠাসহকাৰে পালন কৰি আহিছে। অধ্যক্ষগৰাকীয়ে স্বচ্ছ ভাৰত মিছনৰ অসমৰ বেণ্ড এম্বেছাডৰ হিচাপেও সেৱা আগবঢ়াইছিল। অনেক বঁটা, সন্মানৰ লগতে ২৩খন গাঁৱৰ ৰাইজে মিলি আয়োজন কৰা ১৩৫ বছৰীয়া ভাওনা উদযাপন কাৰ্যসূচীত অধ্যক্ষগৰাকীক সম্বৰ্ধনা জনোৱাত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ লগতে ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতী আৰু সাধাৰণ সম্পাদক চিন্ময় কলিতাই অভিনন্দন জ্ঞাপন কৰিছে। শ্ৰীমন্ত শংকৰদৱেৰ আদৰ্শক সমাজত প্ৰচাৰ আৰু প্ৰসাৰ কৰিবলৈ ৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত ভাওনা কাৰ্যসূচীৰ মুকলি সভাত সম্বৰ্ধনা গ্ৰহণ কৰি তেওঁ কয়— শ্ৰীমন্ত শংকৰদেৱে জীৱনত অনেক বাধা-বিঘিনি, প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ পিছতো সমাজ পৰিৱৰ্তনৰ ক্ষেত্ৰত থমকি ৰোৱা নাছিল। সমাজ পৰিৱৰ্তন কৰিবলৈ হ'লে যাত্ৰা বাটত জীৱনত অনেক প্ৰত্যাহ্বান আহি পাৰে, বাধা, হস্তক্ষেপ আহি পাৰে। সকলো প্ৰত্যাহ্বান নেওচি সাহসেৰে আগুৱাই গ'লে জীৱনত সফল হ'ব পাৰি। পৃথিৱীত কেতিয়াও বাধা বা প্ৰত্যাহ্বানৰ বাবে ৰৈ যোৱাটো উচিত নহয় বুলি তেওঁ কয়। তেওঁ কয়— জীৱনত তিতা-মিঠা সকলো অভিজ্ঞতা সহজে গ্ৰহণ কৰি সকলো সমালোচনা, বিতৰ্ক সহ্য কৰি আগুৱাই যাৰ পৰাজনেই জীৱনত সফল হ'ব পাৰে। মুকলি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° গোপাল হাজৰিকা, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ বড়া, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, সাহিত্যিক জ্যোতি বৰগোহাঁই, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইকে ধৰি মঞ্চত বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত আছিল।